**পৰম্পৰাগত বনাম আধুনিক ব্যাকৰণ**

ভাষাৰ বিজ্ঞানসম্মত অধ্যয়নৰ প্ৰাক্‌কালত যি ব্যাকৰণ ৰচনা কৰা হৈছিল, সেইবোৰক **পৰম্পৰাগত** বা **প্ৰথাগত ব্যাকৰণ**ৰূপে অভিহিত কৰা হৈছে। আধুনিক ব্যাকৰণৰ সৈতে প্ৰথাগত ধাৰাৰ ভালেমান পাৰ্থক্য লক্ষ্য কৰিব পাৰি। বৃটিছ ভাষাবিজ্ঞানী আৰ. এইচ্চ. ৰবিনছৰ মতে, "... formal grammar, based on observable forms abstracted from utterances actually produced or approved by native speakers, or writers of the language under investigation" [1964 : 181]। অৰ্থাৎ, ভাষাৰ ব্যৱহাৰিক ৰূপৰ গাঁথনিক বিশ্লেষণেই **আধুনিক ব্যাকৰণ**। ইয়াৰ বিপৰীতে পৰম্পৰাগত বা প্ৰথাগত ব্যাকৰণত ভাষাৰ গঠন-ৰীতিতকৈ অৰ্থৰ দিশটোৰ প্ৰতিহে অধিক গুৰুত্ব দিয়া হয়। সি যি কি নহওক, ৰবিনছ [1964 : 179-182], আৰ. এল. ভাৰ্ছনি [1993 : 207] আদি ভাষা-বিশ্লেষকে দেখুওৱা দুয়োটা ধাৰাৰ পাৰ্থক্যসমূহ নিম্নোক্ত ধৰণে যুকিয়াই ল'ব পাৰি ঃ

(ক) পৰম্পৰাগত ব্যাকৰণ অষ্টাদশ শতিকাৰ আগৰ সৃষ্টি; আনহাতে, আধুনিক ব্যাকৰণ ঘাইকৈ বিংশ শতাব্দীত বিকশিত ভাষাবৈজ্ঞানিক সূত্ৰৰ আধাৰত প্ৰতিষ্ঠিত।

(খ) পৰম্পৰাগত ব্যাকৰণ অসংহত, বিশৃঙ্খল আৰু বাহুল্যধৰ্মী; আনহাতে, আধুনিক ব্যাকৰণ সুসংবদ্ধ, সুশৃঙ্খল আৰু চুম্বকধৰ্মী।

(গ) আধুনিক ব্যাকৰণত ভাষাৰ কথিত ৰূপৰ পৰা আহৰিত বাস্তৱ তথ্যৰ বিশ্লেষণ থাকে; আনহাতে, পৰম্পৰাগত ব্যাকৰণত লিখিত ৰূপ — বিশেষকৈ সাহিত্যৰ ভাষাক অগ্ৰাধিকাৰ দিয়া হয়।

(ঘ) পৰম্পৰাগত ব্যাকৰণে সকলো ভাষাকে সদৃশ বুলি গণ্য কৰে; ইয়াৰ বিপৰীতে, আধুনিক ব্যাকৰণে জগতৰ প্ৰতিটো ভাষাৰে স্বকীয় গঠন-ৰীতিলৈ লক্ষ্য কৰি প্ৰত্যেককে সুকীয়া মৰ্যাদা দিয়ে।

(ঙ) আধুনিক ব্যাকৰণ বস্তুনিষ্ঠ; আনহাতে, পৰম্পৰাগত ব্যাকৰণ বিষয়নিষ্ঠ।

(চ) বৈয়াকৰণিক যুক্তিসমূহৰ ক্ষেত্ৰত পৰম্পৰাগত ব্যাকৰণৰ দুৰ্বলতা অনেক। এই ব্যাকৰণত তেনে কোনো সুনিৰ্দিষ্ট পদ্ধতিও অৱলম্বন কৰা নহয়। ইয়াৰ বিপৰীতে আধুনিক ব্যাকৰণ যুক্তি আৰু পদ্ধতিৰ দিশত অতিশয় বলিষ্ঠ।

(ছ) পৰম্পৰাগত ব্যাকৰণ ব্যাখ্যামূলক; আনহাতে, আধুনিক ব্যাকৰণ বিৱৰণমূলক।

(জ) পৰম্পৰাগত ব্যাকৰণ নিদানধৰ্মী বা নিৰ্দেশমূলক নিয়ম-বিধিৰ সমষ্টি। ভাষাৰ ভুল-শুদ্ধৰ বিচাৰ ইয়াৰ ঘাই প্ৰতিপাদ্য বিষয়। আনহাতে, আধুনিক ব্যাকৰণ ভাষাৰ বৰ্ণ, প্ৰাকৃতি, খণ্ডবাক্য, গৰ্ভবাক্য, বাক্য আদিৰ আৱিষ্কাৰক। ইয়াত ভাষাৰ যথাযথ ৰূপটোৰ বিশ্লেষণহে দাঙি ধৰা হয়।

(ঝ) পৰম্পৰাগত ব্যাকৰণত অৰ্থৰ দিশটোৱে বিশেষ প্ৰাধান্য পায়; ইয়াৰ বিপৰীতে, আধুনিক ব্যাকৰণত ভাষাৰ গঠন-পদ্ধতিৰ ওপৰতহে গুৰুত্ব দিয়া হয়।

(ঞ) ভাষা বিশেষৰ সাধু ৰূপটোৰ কথন-লিখন-পঠনৰ শুদ্ধতা সম্পৰ্কীয় বিধি-ব্যৱস্থা তৈয়াৰ কৰাটোৱে পৰম্পৰাগত ব্যাকৰণৰ প্ৰধান উদ্দেশ্য। ফলত এই ধাৰাৰ ব্যাকৰণৰ মাজেৰে লিখিত বা মান্য ভাষাটোৱেই শুদ্ধ আৰু উচ্চমানৰ—এনে এক ভ্ৰান্ত ধাৰণাৰ প্ৰতিফলন ঘটে। অৱশ্যে, আধুনিক ব্যাকৰণে যে ভাষাৰ বিশুদ্ধ ৰূপটোৰ প্ৰতি মনোযোগ নিদিয়ে, তেনে নহয়; ভাষাৰ ব্যৱহাৰিক মানলৈ লক্ষ্য ৰাখি অশিষ্ট, অভব্য ৰূপবোৰ এই ব্যাকৰণেও বৰ্জন কৰে। কিন্তু, পৰম্পৰাগত ব্যাকৰণে দেখুওৱা  তথাকথিত ভুলবোৰ পোনচাটে নাকচ নকৰি সিবোৰৰ ব্যৱহাৰৰ অনৌচিত্যৰ যথাযথ ব্যাখ্যা দিয়ে।

(ট) শব্দ-গঠনত প্ৰাকৃতিৰ (Morpheme) ভূমিকা সম্পৰ্কে পৰম্পৰাগত ব্যাকৰণত কোনো ব্যাখ্যা পাবলৈ নাই; আনহাতে, আধুনিক ব্যাকৰণে এই দিশৰ যথাৰ্থ ব্যাখ্যা আগবঢ়াবলৈ সমৰ্থ হৈছে।

(ঠ) পৰম্পৰাগত ব্যাকৰণৰ ঘাই আৰ্হি হ'ল—গ্ৰীক আৰু লেটিন ব্যাকৰণ; আনহাতে, আধুনিক ব্যাকৰণ ভাষাবৈজ্ঞানিক সূত্ৰসমূহৰ আধাৰত প্ৰতিষ্ঠিত।